অসম

জুবিন গার্গৰ ৫৪ সংখ্যক জন্মদিনত ৰজাপথাৰ শংকৰদেৱ জাতীয় বিদ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

প্ৰকাশ: ১৮ নৱেম্বৰ ২০২৬, নিশা ৮:৪১



হাওৰাঘাট, ১৮ নৱেম্বৰ: অসমীয়াৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গার্গৰ অবিহনে দ্বিতীয়বাৰৰ বাবে কার্বি আংলঙৰ ৰজাপথাৰ শংকৰদেৱ জাতীয় বিদ্যালয়ত গভীৰ শ্ৰদ্ধা আৰু আৱেগিক পৰিৱেশত উদযাপন কৰা হয় শিল্পীগৰাকীৰ ৫৪ সংখ্যক জন্মদিন।

বিদ্যালয়ৰ প্ৰাংগণত আয়োজিত এই স্মৃতিমধুৰ অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় অনুৰাগীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত জুবিন গার্গৰ প্ৰতিচ্ছবিত মাল্যার্পণ, পুষ্পাঞ্জলি অর্পণ আৰু বন্তি প্ৰজ্বলনেৰে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়।

অনুষ্ঠানৰ আন এক বিশেষ আকর্ষণ আছিল উদীয়মান যুৱ কণ্ঠশিল্পী তথা সাংবাদিক নেত্ৰ কমল শর্মাৰ সংগীত পৰিৱেশন। তেওঁৰ সংগীতৰ তালে তালে কণমানি শিক্ষার্থীসকলৰ কণ্ঠত নিগৰি আহে জুবিন গার্গৰ কালজয়ী গীতৰ সুৰ। ইয়াৰ লগে লগে বিদ্যালয়ৰ চৌহদত এক সংগীতময় পৰিৱেশৰ সৃষ্টি হয়।

প্ৰিয় শিল্পীগৰাকীৰ গীতৰ সুৰত মতলীয়া হৈ শিক্ষক-শিক্ষার্থীসকলেও নৃত্যৰ তালে তালে তেওঁক স্মৰণ কৰে। সংগীত আৰু শ্ৰদ্ধাঞ্জলিৰে মুখৰিত হৈ পৰা অনুষ্ঠানটোত জুবিন গার্গৰ সৃষ্টিৰাজি আৰু তেওঁৰ মানৱীয় আদর্শক নৱপ্ৰজন্মৰ মাজত জীয়াই ৰখাৰ সংকল্প গ্ৰহণ কৰা হয়।

শিল্পীগৰাকীৰ অনবদ্য সৃষ্টি আৰু মানৱীয় আদৰ্শক নতুন প্ৰজন্মৰ হৃদয়ত চিৰপ্ৰৱাহমান কৰি ৰখাৰ আহ্বানেৰে অনুষ্ঠানৰ সামৰণি পৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4290/jubin-gargor-54-sngkhyok-jonmodinot-rojapothar-sngkorodew-jatiy-bidyaloyot-srodd